2007

ASSAMESE

FIRST PAPER

Full Marks : 80

Time : 3 hours

The figures in the margin indicate full marks for the questions

Write the answers to the two Halves in separate books

প্ৰথম খণ্ড

(*মূল্যাংক* : ৪০)

১ নং প্ৰশ্ন আৰু বাকী যি কোনো তিনিটা প্ৰশ্নৰ উত্তৰ লিখা

১। তলৰ যেই সেই দুটাৰ বিষয়ে চমু টোকা লিখা : ৫×২=১০

(ক) 'গুৰু মোকে দয়া নচাৰিবা' গীতটিৰ সাৰ কথা

(খ) গোৱালপৰীয়া লোকগীতৰ সৌন্দৰ্য্য

(গ) শান্তি-বাৰমাহী গীতৰ ৰস-বিচাৰ

(ঘ) অসমীয়া কৰ্মবিষয়ক গীত

২। চৰ্যাপদ আৰু বৰগীতৰ মাজত কোন কোন দিশত সাদৃশ্য পৰিলক্ষিত হয়, বিচাৰ কৰা। ১০

৩। বিভীষণে মন্ত্ৰীপদ এৰি ৰামচন্দ্ৰৰ ওচৰত শৰণ লোৱা ঘটনাৰ লগত সঙ্গতি ৰাখি সুন্দৰাকাণ্ডৰ আধাৰত তেওঁৰ (বিভীষণৰ) চৰিত্ৰটো বিশ্লেষণ কৰি দেখুওৱা। ১০

৪। হৰিবৰ বিপ্ৰৰ চমু পৰিচয় দি তেওঁৰ কাব্য-প্ৰতিভা সম্পৰ্কে দৃষ্টান্তসহ আলোচনা কৰা। ১০

৫। মনকৰৰ 'মনসা কাব্য'ত শিৱ লৌকিক দেৱতাৰূপে কেনেদৰে প্ৰতিভাত হৈছে, যথাযুক্ত নিদৰ্শন দাঙি ধৰি বিশ্লেষণ কৰা। ১০

৬। "'গীতি-ৰামায়ণ' বাল্মীকিৰ মহাকাব্যৰ গাঁৱলীয়া তাণ্ডৱণ মাথোন।" দুৰ্গাবৰৰ 'গীতি-ৰামায়ণ'ৰ আধাৰত এই উক্তিটোৰ যথাৰ্থতা বিচাৰ কৰা। ১০

দ্বিতীয় খণ্ড

(*মূল্যাংক* : ৪০)

৭। (ক) শংকৰদেৱ বিৰচিত 'আদি দশম' গ্ৰন্থক 'আদি দশম' আখ্যা দিয়াৰ কাৰণ কি? এই গ্ৰন্থখন যে শংকৰদেৱৰ ৰচনা তাৰ প্ৰমাণ কি? 'আদি দশম'ৰ মূল গ্ৰন্থখনৰ নাম কি? মূল গ্ৰন্থখন কাৰ ৰচনা? 'আদি দশম'ত বৰ্ণিত মতে গোপিকাসৱৰ প্ৰেম-ভক্তিৰ স্বৰূপ ব্যাখ্যা কৰা।

৩+৩+১+১+৬=১৪

অথবা

(খ) তলৰ স্তৱকটিৰ তাত্ত্বিক তাৎপৰ্য্য ব্যাখ্যা কৰা : ১৪

প্ৰকৃতি আশ্ৰয় আছে আদি বৃক্ষ
সুখ দুঃখ দুই ফল।
তিনি গুণে মূল অৰ্থ চাৰি ৰস
শিপায়ে ইন্দ্ৰিয় বল॥
ছয় উৰ্ম্মি আত্মা সাত ধাতু ছাল
শাখায়ে অষ্ট প্ৰকৃতি।
দশ বায়ু পাত ঈশ জীৱ দুই
পক্ষী থাকে আত নিতি॥

অথবা

(গ) ৰাম সৰস্বতীৰ বীৰ-ৰস-মিশ্ৰিত আদি ৰসাত্মক 'অশ্বকৰ্ণবধ' কাব্যৰ লগত সমসাময়িক ধৰ্ম্মপ্ৰাণ ইংৰাজ কবি স্পেন্সাৰৰ আখ্যান এটিৰ মূল কথা-বস্তুৰ মিল আছে বুলি ডঃ বাণীকান্ত কাকতিয়ে মন্তব্য প্ৰকাশ কৰিছে। এই মন্তব্যটিৰ সাৰ্থকতা বিচাৰ কৰা। ১৪

৮। (ক) ঝুমুৰাৰ প্ৰৱৰ্তক স্বৰূপে নব-বৈষ্ণৱ অসমীয়া সাহিত্যত মাধৱদেৱৰ স্থান নিৰ্ণয় কৰা। ১৩

অথবা

(খ) 'চোৰধৰা' আৰু 'পিম্পৰা গুচুৰা' ঝুমুৰা দুখনত পৰমভক্ত কবি বিল্বমংগলৰ ৰচনা নিৰ্মিতিৰ সমল—এই সন্দৰ্ভত এটি বিশ্লেষণশীল প্ৰবন্ধ ৰচনা কৰা।

অথবা

(গ) বৰগীতৰ লিৰিকেল সৌন্দৰ্য্য আৰু আংগিকৰ বিষয়ে আলোচনা কৰি 'পাঁচালী-গীত'ৰ লগত এইবিধ গীতৰ কি কি বিষয়ত অমিল দেখা যায়, আলোচনা কৰা।

৯। (ক) কি কি গুণত 'পাৰিজাত-হৰণ নাট'খনে শ্ৰেষ্ঠতা দাবী কৰিব পাৰে, যুক্তিসহ আলোচনা কৰা। ১৩

অথবা

(খ) 'পাৰিজাত-হৰণ নাট'ত উপস্থাপন কৰা শচী-সত্যভামাৰ গ্ৰাম্য-কলহখনৰ নাটকীয় তাৎপৰ্য্য থকা বুলি ভাবিব পাৰি নে নোৱাৰি, আলোচনা কৰা।

অথবা

(গ) কথা-ৰীতিৰ প্ৰৱৰ্তক স্বৰূপে কবিৰত্ন বৈকুণ্ঠনাথ ভট্টদেৱৰ কৃতিত্ব সম্পৰ্কে আলোচনা কৰা।

* * *